# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 11-11-2024
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
***::::::: ::::::: :::::::: ::::::::***

অসমৰ পাঁচটা বিধানসভা সমষ্টিত পৰহিলৈ হ'বলগীয়া উপ-নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ আজি বিয়লি সামৰণি পৰে। নিৰ্বাচনী প্ৰচাৰৰ আজি অন্তিম দিনটোত শেষবাৰৰ বাবে ভোটদাতাৰ মন জয় কৰিবলৈ ৰাজনৈতিক দলসমূহে চেষ্টা চলোৱা পৰিলক্ষিত হয়।

পৰহিলৈ হ'বলগীয়া এই উপ-নিৰ্বাচনত মুঠ ৩৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। ধলাই আসনৰ বাবে ৮ গৰাকী, চামগুৰিৰ বাবে ১১ গৰাকী, চিদলী আসনখনৰ বাবে ৩ গৰাকী, বিহালী আসনখনৰ বাবে ৪ গৰাকী প্ৰাৰ্থী আৰু বঙাইগাঁও আসনৰ বাবে ৮ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। ১০ লাখতকৈও অধিক ভোটদাতাই এই প্ৰাৰ্থীসকলৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব।

ooo

ব্ৰহ্মপুত্ৰ বোৰ্ডৰ উচ্চ ক্ষমতা সম্পন্ন পৰ্যালোচনা সমিতিৰ ত্ৰয়োদশ বৈঠক কাইলৈ গুৱাহাটীত কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী চি আৰ পাটিলৰ অধ্যক্ষতাত অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাত বান নিয়ন্ত্ৰণ আৰু নদী ব্যৱস্থাপনা সম্পৰ্কত নীতি আৰু কৌশলসমূহ উন্নত কৰি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰিব। এই বৈঠকত উত্তৰ-পূৰ্বাঞ্চলৰ কেইবাখনো ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ লগতে বিভিন্ন মন্ত্ৰালয় আৰু বিভাগৰ শীৰ্ষ বিষয়াসকলে অংশগ্ৰহণ কৰিব।

ooo

কাইলৈ ৰাজহুৱা সেৱা সম্প্ৰচাৰ দিৱস উপলক্ষে আজি গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ চৌহদত থকা উত্তৰ-পূৰ্বাঞ্চলৰ আকাশবাণী আৰু দূৰদৰ্শনৰ অতিৰিক্ত সঞ্চালকপ্ৰধানৰ কাৰ্যালয়ত দিনজোৱা কাৰ্যসূচীৰে অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানতে উত্তৰ-পূৰ্বাঞ্চলৰ আকাশবাণী কেন্দ্ৰসমূহে প্ৰচাৰ কৰা অনুষ্ঠানসমূহৰ প্ৰদৰ্শনৰ ওপৰত ভিত্তি কৰি বঁটা প্ৰদান কৰা হয়। আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰই প্ৰথম স্থান লাভ কৰাৰ লগতে আকাশবাণী ইম্ফলে দ্বিতীয় আৰু পাছিঘাটে তৃতীয় স্থান অৰ্জন কৰে। আকাশবাণী কেন্দ্ৰসমূহৰ অনুষ্ঠান কাৰ্যবাহী আৰু অন্যান্য বিষয়াসকলক তেওঁলোকে আগবঢ়োৱা অৱদানৰ বাবেও বঁটা প্ৰদান কৰা হয়। উত্তৰ-পূৰ্বাঞ্চলৰ আকাশবাণী আৰু দূৰদৰ্শন কেন্দ্ৰসমূহৰ অতিৰিক্ত সঞ্চালকপ্ৰধান আশীষ ভাটনাগৰে বঁটাসমূহ প্ৰদান কৰে।

অনুষ্ঠানত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰ, অৱসৰপ্ৰাপ্ত সহকাৰী সঞ্চালক অসীম কুমাৰ কাজিৰ লগতে অন্যান্য বিষয়াসকল উপস্থিত থাকে।

০০০

স্বাধীন ভাৰতৰ প্ৰথমগৰাকী শিক্ষা মন্ত্ৰী তথা বিশিষ্ট শিক্ষাবিদ মৌলানা আবুল কালাম আজাদৰ স্মৃতিত শ্ৰদ্ধা জনাই আজি ৰাষ্ট্ৰীয় শিক্ষা দিৱস পালন কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে স্বাধীন ভাৰতৰ প্ৰথম শিক্ষামন্ত্ৰী আজাদৰ জয়ন্তী উপলক্ষে শ্ৰদ্ধা তৰ্পন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে শ্ৰীমোদীয়ে কয়, যে শিক্ষাৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদান আৰু ভাৰতৰ স্বাধীনতা আন্দোলনত গ্ৰহণ কৰা সক্ৰিয় ভূমিকাৰ বাবে আজাদক দেশবাসীয়ে চিৰদিন স্মৰণ কৰিব।

দেশৰ ভিন্ন প্ৰান্তৰ লগতে অসমৰ শিক্ষানুষ্ঠানসমূহতো এই উপলক্ষে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। আজিৰ দিনটোতে দেশৰ ভৱিষ্যৎ গঢ়াৰ ক্ষেত্ৰত শিক্ষাৰ গুৰুত্ব সন্দৰ্ভত আলোকপাত কৰা হয়।

শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ৰাষ্ট্ৰীয় শিক্ষা দিৱস উপলক্ষে জনসাধাৰণৰ প্ৰতি শুভেচ্ছা জ্ঞাপন কৰিছে। এটা শুভেচ্ছা বাৰ্তাত তেওঁ কয়, যে দেশৰ প্ৰগতি, প্ৰতিগৰাকী ব্যক্তি, ন-ন উদ্ভাৱন আৰু সামাজিক তথা অৰ্থনৈতিক বিকাশৰ সৈতে এটা উজ্জ্বল ভৱিষ্যৎ নিৰ্মাণৰ ক্ষেত্ৰত শিক্ষাই হৈছে মূল শক্তি। তেওঁ কয়, যে ভাৰতৰত্ন মৌলানা আবুল কালাম আজাদে দেশৰ আধুনিক শিক্ষাৰ ভেটি গঢ়িছিল। মহান ব্যক্তিগৰাকীয়ে সাহিত্য একাডেমী, ললিত কলা একাডেমী, সংগীত নাটক একাডেমী আদিকে ধৰি ভালেসংখ্যক আগশাৰীৰ শিক্ষা প্ৰতিষ্ঠান গঢ়ি তুলিছিল।

০০০

ৰাস মহোৎসৱ উদ্‌যাপনৰ বাবে ৰাজ্যজুৰি ব্যাপক প্ৰস্তুতি পৰিলক্ষিত হৈছে। সত্ৰীয়া সংস্কৃতিৰ পীঠ স্থান মাজুলীৰ সত্ৰসমূহৰ লগতে উজনি অসমৰ বিভিন্ন জিলা আৰু নামনি অসমৰ ঠায়ে ঠায়ে ৰাস উৎসৱক কেন্দ্ৰ কৰি উৎসাহ উদ্দীপনাই বিৰাজ কৰিছে।

শৰৎ কালৰ পূৰ্ণিমাৰ মনোৰম পৰিবেশত পালন কৰা এই ৰাসলীলাৰ প্ৰস্তুতি উপলক্ষে মাজুলীৰ সত্ৰসমূহত উখল মাখল পৰিবেশে বিৰাজ কৰিছে। প্ৰতিবছৰে মাজুলীৰ ৰাস মহোৎসৱ উপভোগ কৰিবলৈ দেশ বিদেশৰ বহু লোক আহি নদীদ্বীপটোত উপস্থিত হয়। এইবাৰ সত্ৰসমূহৰ লগতে স্থায়ী অস্থায়ী ভিত্তিত মুঠ ৬৫ খন ৰাস মহোৎসৱ জিলাখনত উদ্‌যাপন কৰা হ'ব। ১৪ ৰ পৰা ১৮ নৱেম্বৰলৈ হ'বলগীয়া এই উৎসৱৰ মঞ্চসমূহত শিশু ৰাস, মিছিং ভাষাৰ ৰাসৰ লগতে ৪ খন ৰংগমঞ্চত সম্পূৰ্ণৰূপে মহিলা শিল্পীসকলৰ দ্বাৰা ৰাসলীলা পৰিবেশন কৰা হ'ব।

উজনি অসমৰ লখিমপুৰকে ধৰি আন কেইবাখনো ঠাইৰ লগতে নামনি অসমৰ হাউলী, নলবাৰী, বজালীকে ধৰি বিভিন্ন অঞ্চলত ৰাস মহোৎসৱ উপলক্ষে যথাবিহিত ৰীতি-নীতিৰে পূজা অৰ্চনা কৰাৰ লগতে মৃণ্ময় মূৰ্তিৰ সহায়ত ৰাসলীলা পৰিবেশন কৰা হ'ব।

০০০

গুৱাহাটীৰ চচলস্থিত টেনিছ প্ৰকল্পত আজিৰে পৰা আই টি এফ মাষ্টাৰ্ছ টু হাণ্ড্ৰেদ বিশ্ব ৰেংকিং আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। সদৌ অসম টেনিছ সন্থাই সৰ্বভাৰতীয় টেনিছ ফেডাৰেশ্বনৰ সহযোগত আয়োজন কৰা এই প্ৰতিযোগিতা ১৫ নৱেম্বৰত সামৰণি পৰিব।

ইফালে এই টেনিছ প্ৰকল্পত ১৮ নৱেম্বৰৰ পৰা ২৩ নৱেম্বৰলৈ ১৮ বছৰ অনুৰ্ধৰ ল'ৰা আৰু ছোৱালীৰ আই টি এফ জুনিয়ৰ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। একক আৰু ডাবলছ শাখাৰ অনুষ্ঠিত হবলগা এই প্ৰতিযোগিতাৰ মূল ৰাউণ্ডৰ পূৰ্বে ১৬ আৰু ১৭ নৱেম্বৰত কোৱালিফাইং ৰাউণ্ড অনুষ্ঠিত হ'ব। অসম টেনিছ সন্থাই জানিবলৈ দিয়া মতে, এই প্ৰতিযোগিতাত চীন, আমেৰিকা, ইংলেণ্ড, কানাডা, শ্ৰীলংকা, আৰ্মেনিয়া, জাপান, হংকং, হাংগেৰী, ছিংগাপুৰ, চুইজাৰলেণ্ড, থাইলেণ্ড, কোৰিয়া, লাগজেনবাৰ্গ, লেণ্ডাৰলেণ্ড, অষ্ট্ৰেলিয়া, কাজাখস্তান আদি দেশৰ খেলুৱৈয়ে যোগদান নিশ্চিত কৰিছে।

০০০

গুৱাহাটীত আজি ৮ বছৰ অনুৰ্ধৰ ২৯ সংখ্যক চাব জুনিয়ৰ ৰাজ্যিক টাইকোৱাণ্ডো প্ৰতিযোগিতা আৰম্ভ হৈছে। ৰাধাগোবিন্দ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ দেশভক্ত তৰুণৰাম ফুকন ইন্দোৰ ষ্টেডিয়ামত ৩ দিনীয়াকৈ আয়োজিত এই প্ৰতিযোগিতাত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ এহেজাৰ এশৰো অধিক খেলুৱৈয়ে অংশ লৈছে। আজি প্ৰতিযোগিতাৰ আৰম্ভণিৰ দিনটোত মৰাণৰ প্ৰতিযোগীয়ে সৰ্বাধিক ১২ টা আৰু নলবাৰী জিলাৰ প্ৰতিযোগীয়ে ৯ টা স্বৰ্ণ পদক অৰ্জন কৰি প্ৰথম আৰু দ্বিতীয় স্থান লাভ কৰিছে। এই প্ৰতিযোগিতাৰ জৰিয়তে হাৰিয়ানাৰ পাঞ্চকুলাত ২৯ নৱেম্বৰৰ পৰা ১ ডিচেম্বৰলৈ হ'বলগীয়া ৩৮ সংখ্যক ৰাষ্ট্ৰীয় চাব জুনিয়ৰ কিউৰোগী আৰু ত্ৰয়োদশ ৰাষ্ট্ৰীয় চাব জুনিয়ৰ পুমচে প্ৰতিযোগিতালৈ অসম দলটো বাচনি কৰা হ'ব।

০০০

**ঃঃ সমাপ্ত ঃঃ**